**19 E—HIST**

# 2019

## HISTORY

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following questions (any *twelve*) : 1×12=12

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো বাৰটা) :

(a) What is the meaning of the word 'Homo sapiens'?
'হ'ম' চেপিয়েঞ্চ' শব্দৰ অৰ্থ কি ?

(b) Why is the Mesopotamian civilization famous for?
মেচ'প'টেমীয়া সভ্যতা কিহৰ বাবে বিখ্যাত ?

(c) Which sea was regarded as the heart of the Roman Empire?
কোনখন সাগৰক ৰোমান সাম্ৰাজ্যৰ হৃৎপিণ্ড বুলি গণ্য কৰা হয় ?

(d) Who introduced courier system in Mongol Empire?
মংগোল সাম্ৰাজ্যত কোনে ডাক ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল ?

(e) Name two city states of Italy which were grown up in the 12th Century.
খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ ইটালীত গঢ়ি উঠা দুখন নগৰ ৰাষ্ট্ৰৰ নাম লিখা ।

(f) Who invented the printing press?
ছপাযন্ত্ৰ কোনে আৱিষ্কাৰ কৰিছিল ?

(g) Who was Amerigo Vespucci?
এমেৰিগ' ভেচপুচি কোন আছিল ?

*(h)* Name the author of *Capitalism and Slavery.*

*Capitalism and Slavery* গ্ৰন্থখনৰ লিখকৰ নাম লিখা।

*(i)* Who coined the term 'Industrial Revolution' for the first time in English?

ইংৰাজী ভাষাত কোনে প্ৰথমে 'শিল্প বিপ্লৱ' শব্দটো ব্যৱহাৰ কৰিছিল?

*(j)* In which year was railway introduced in England?

কোন চনত ইংলেণ্ডত প্ৰথম ৰেলপথ স্থাপন কৰা হৈছিল?

*(k)* By whom was the name 'New Zealand' given?

'নিউজিলেণ্ড' নামটো কোনে দিছিল?

*(l)* In which year was the Indian Reorganization Act enacted in America?

আমেৰিকাত ৰেড ইণ্ডিয়ানসকলৰ পুনৰ্গঠন আইনখন কোন চনত প্ৰণয়ন কৰা হৈছিল?

*(m)* What are the primates?

প্ৰাইমেটবোৰ কি কি?

*(n)* Name the Caliph who used Arabic script in Islamic coins.

ইছলামীয় মুদ্ৰাত আৰবী লিপি ব্যৱহাৰ কৰা খলিফাজনৰ নাম লিখা।

*(o)* Who was the author of the book, *The Civilization of the Renaissance*?

*The Civilization of the Renaissance* কিতাপখনৰ লিখক কোন?

*(p)* Who invented 'spinning jenny'?

'Spinning jenny' কোনে আৱিষ্কাৰ কৰিছিল?

*(q)* In which year was the Chinese Communist Party (CCP) formed?

কোন চনত চীনা সাম্যবাদী দল গঠন কৰা হৈছিল?

**2.** Answer the following questions in brief (any *twelve*) : 2×12=24

তলৰ প্ৰশ্নসমূহৰ সংক্ষিপ্ত উত্তৰ দিয়া (যি কোনো বাৰটা) :

*(a)* What is cuneiform? From which language is it derived?

কিউনিফৰ্ম কি ? ইয়াক কোনটো ভাষাৰ শব্দৰ পৰা লোৱা হৈছে ?

*(b)* Mention two agrarian problems of Southern Mesopotamia.

দক্ষিণ মেচ'প'টেমিয়াৰ কৃষিকৰ্মৰ দুটা সমস্যা উল্লেখ কৰা ।

*(c)* Write two main sources used for writing the history of the Roman Empire.

ৰোমান সাম্ৰাজ্যৰ ইতিহাস ৰচনাত ব্যৱহাৰ কৰা দুটা মুখ্য সমলৰ নাম লিখা ।

*(d)* During whose reign was the 'Hijri Era' introduced in Central Islamic Empire? Why was it significant?

কাৰ ৰাজত্বকালত মধ্য ইছলামীয় সাম্ৰাজ্যত 'হিজৰি বৰ্ষ' প্ৰৱৰ্তন কৰা হৈছিল ? ইয়াৰ গুৰুত্ব কি আছিল ?

*(e)* Mention the two special taxes paid by the non-Muslims in the Central Islamic Empire.

মধ্য ইছলামীয় সাম্ৰাজ্যত অ-মুছলমানসকলে দিবলগা কৰ দুবিধ কি কি ?

*(f)* Who composed the book, *Al-Qanum FiAL-Tibb*? How many names of drugs did it contain?

*Al-Qanum FiAL-Tibb* কিতাপখন কোনে ৰচনা কৰিছিল ? ইয়াত কিমানবিধ ঔষধৰ নাম সন্নিৱিষ্ট কৰা হৈছে ?

*(g)* What is the meaning of the word 'monastery'? Name two famous monasteries of Europe.

'মনাষ্ট্ৰি' শব্দৰ অৰ্থ কি ? ইউৰোপৰ দুটা বিখ্যাত মনাষ্ট্ৰিৰ নাম লিখা ।

(h) Who formed the 'Society of Jesus' and when was it formed?
কোনে, কেতিয়া 'যীশু সমাজ' প্ৰতিষ্ঠা কৰিছিল ?

(i) Name two works which immortalized Michelangelo.
কোন দুটা সৃষ্টিয়ে মাইকেল এঞ্জেল'ক অমৰ কৰি তুলিছিল ?

(j) Write two consequences of the discovery of America by European voyagers.
ইউৰোপীয় অভিযাত্ৰীসকলৰ দ্বাৰা আমেৰিকা আৱিষ্কাৰৰ দুটা প্ৰত্যক্ষ ফলাফল লিখা ।

(k) Who were the 'Samurais'? What was their role in the Japanese administration?
'চামুৰাই'সকল কোন আছিল ? জাপানৰ প্ৰশাসনত তেওঁলোকৰ ভূমিকা কি আছিল ?

(l) What were the four great needs as identified by the Guomindang Party of China?
চীনৰ গুঅ'মিন্‌ডাং পাৰ্টীৰ মতে চাৰিটা প্ৰধান প্ৰয়োজন কি কি আছিল ?

(m) What was the Long March?
Long March বা দীৰ্ঘযাত্ৰা কি আছিল ?

(n) Who are the Popes? Where do they live?
পোপসকল কোন ? তেওঁলোকে ক'ত বাস কৰে ?

**3.** Answer the following questions (any *ten*) : 4×10=40
তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দহটা) :

(a) Write a brief note on the different ways of obtaining food by the early men.
আদিম মানুহৰ খাদ্য সংগ্ৰহৰ উপায়বোৰ কি কি আছিল, চমুকৈ লিখা ।

(b) Who were the three 'players' of the Roman administration? What role did they play?

ৰোমান প্ৰশাসনৰ তিনিজন 'কৰ্তা' কোন আছিল? তেওঁলোকে কি ভূমিকা গ্ৰহণ কৰিছিল?

(c) What led to the growing importance of the knights as a new section of people? What sort of privileges did they enjoy?

নাইটসকল কিদৰে এটা সুকীয়া দল হিচাপে পৰিগণিত হৈছিল? তেওঁলোকে কি কি সুবিধা ভোগ কৰিছিল?

(d) What were the differences between free peasants and serfs?

মুক্ত কৃষক আৰু চাৰ্ফৰ মাজৰ পাৰ্থক্যবোৰ লিখা।

(e) Explain the developments which reflected the humanist thoughts.

মানৱতাবাদী চিন্তাধাৰাৰ প্ৰতিফলন কি কি ক্ষেত্ৰত প্ৰতিফলিত হৈছিল, ব্যাখ্যা কৰা।

(f) Explain why the Industrial Revolution occurred in England first.

ইংলেণ্ডত প্ৰথমে কিয় শিল্প বিপ্লৱ হৈছিল, আলোচনা কৰা।

(g) Write in brief the changes brought by the Industrial Revolution to the lives of women and children in England.

শিল্প বিপ্লৱে ইংলেণ্ডৰ মহিলা আৰু শিশুসকলৰ জীৱনলৈ কি কি পৰিৱৰ্তন আনিছিল, চমুকৈ লিখা।

 ( Turn Over )

*(h)* Why did the natives of America and Canada protest in the period between 1950–60? What were its results?

১৯৫০–৬০ৰ দশকত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ থলুৱালোকসকলে কিয় প্ৰতিবাদ কৰিছিল ? ইয়াৰ ফলাফল কি হ'ল ?

*(i)* Discuss the background that led the Australian Government to adopt the policy of keeping 'non-white' people out of the continent.

কি পটভূমিত অষ্ট্ৰেলিয়াৰ চৰকাৰে মহাদেশখনক 'অশ্বেতাংগ'সকলৰ পৰা মুক্ত ৰখাৰ নীতি গ্ৰহণ কৰিছিল, আলোচনা কৰা ।

*(j)* Mention the regions of Africa from where slaves were captured and exported to Europe, South America and West Asia.

আফ্ৰিকাৰ কোনবোৰ স্থানৰ পৰা ইউৰোপ, দক্ষিণ আমেৰিকা আৰু পশ্চিম এচিয়ালৈ দাস নিয়া হৈছিল ?

*(k)* Discuss how modernization transformed the daily life of the Japanese.

জাপানীসকলৰ দৈনন্দিন জীৱনক আধুনিকীকৰণে কেনেদৰে প্ৰভাৱান্বিত কৰিছিল, আলোচনা কৰা ।

*(l)* Write a note on the architecture of the Cathedrals.

বৃহৎ গীৰ্জাবোৰৰ নিৰ্মাণ পদ্ধতিৰ ওপৰত এটি টোকা লিখা ।

*(m)* Write a short note on 'Rubai'.

'ৰুবাই'ৰ বিষয়ে এটি চমু টোকা লিখা ।

**4.** Answer the following questions : 6×4=24

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Write a note on the early life of the Mongols.

মংগোলসকলৰ আদি জীৱনৰ ওপৰত এটি টোকা লিখা ।

*Or / নাইবা*

Who were the Abbasids? Why did they revolt and what were its results?

আব্বাছিদসকল কোন আছিল? তেওঁলোকে কিয় বিদ্ৰোহ কৰিছিল আৰু ইয়াৰ ফলাফল কি হ'ল?

*(b)* What were the three orders of the French society? Write briefly on each of them.

ফৰাছী সমাজৰ তিনিটা শ্ৰেণী কি কি আছিল? তেওঁলোকৰ প্ৰত্যেকৰে বিষয়ে চমুকৈ লিখা।

*Or / নাইবা*

Why did the Europeans try to explore new territories? Discuss.

ইউৰোপীয়সকলে নতুন ঠাই সন্ধান কৰাৰ কাৰণবোৰ ব্যাখ্যা কৰা।

*(c)* Draw a map of Britain and show the centres of iron and coal manufacturing.

ব্ৰিটেইনৰ এখন মানচিত্ৰ অংকন কৰি লো আৰু কয়লা উৎপাদন কৰা স্থানবোৰ দেখুওৱা।

*Or / নাইবা*

What was the 'Great Australian Silence'? What were its impacts in the history of Australia?

'অষ্ট্ৰেলিয়াৰ মহা মৌনতা' কি? অষ্ট্ৰেলিয়াৰ ইতিহাসত ইয়াৰ প্ৰভাৱবোৰ কি কি?

*Or / নাইবা*

What were the advantages of canal and railway transportation?

খাল আৰু ৰেল পৰিবহণৰ সুবিধাসমূহ কি কি আছিল?

(d) What were the major developments before the Meiji restorations that made it possible for Japan to modernize rapidly?

মেইজি পুনৰ উত্থানৰ পূৰ্বৰ কি কি প্ৰধান ঘটনাৰ বাবে ক্ষিপ্ৰগতিত জাপানৰ আধুনিকীকৰণ সম্ভৱ হৈছিল ?

*Or / নাইবা*

Explain the causes and consequences of the 'Great Cultural Revolution' started by the New Democratic Government of China.

চীনৰ নৰগণতান্ত্ৰিক চৰকাৰে আৰম্ভ কৰা সাংস্কৃতিক মহাবিপ্লৱৰ কাৰণ আৰু ফলাফলবোৰ ব্যাখ্যা কৰা ।

★★★